# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৰা ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে আলোচনাত মিলিত হ'ব।

২। সমগ্ৰ দেশত আজি শিক্ষক দিৱস পালন কৰা হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰদান কৰিব।

৪। কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ, এন এল এফ টি আৰু এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত কালি নতুন দিল্লীত এখন চুক্তি স্বাক্ষৰিত হয়।

*আৰু*

৫। হৰবিন্দৰ সিঙে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ আৰ্চাৰীৰ  ৰিকাৰ্ভ শিতানৰ ব্যক্তিগত শাখাত সোণৰ পদক জয় কৰি ইতিহাস ৰচনা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৰা ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতাৰ অগ্ৰগতি পৰ্যালোচনা কৰিব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰিব। শ্ৰীমোদী ব্ৰুনেইৰ সফল ভ্ৰমণ সামৰি কালি বিয়লি ছিংগাপুৰৰ লায়ন চহৰত উপস্থিত হয়।  ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীয়ে শ্ৰীমোদীৰ সন্মানাৰ্থে ব্যক্তিগত নৈশ ভোজৰ আয়োজন কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে শ্ৰীৱঙৰ সৈতে বিভিন্ন বিষয় লৈ গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, ভাৰতে ছিংগাপুৰৰ সৈতে থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদী আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি আৰু অন্য গণ্য মান্য ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ এ ই এম অৰ্ধপৰিবাহী উৎপাদন গোট পৰিদৰ্শন কৰিব আৰু ছিংগাপুৰৰ বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

ooooo

সমগ্ৰ দেশত আজি শিক্ষক দিৱস পালন কৰা হৈছে। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়।

এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী  শিক্ষক-শিক্ষয়িত্ৰীক ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰদান কৰিব।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে কৈছে যে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অসাধাৰণ অৱদানৰ উদযাপন আৰু স্কুলীয়া শিক্ষাৰ মান উন্নত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ জীৱন সমৃদ্ধ কৰা একাংশ শিক্ষকক সন্মানিত কৰাই ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰ মূল উদ্দেশ্যে। স্কুলীয়া শিক্ষা আৰু সাক্ষৰতা বিভাগে এই বছৰ ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰ বাবে ৫০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বাঁচনি কৰিছে। স্বচ্ছ আৰু অনলাইন প্ৰক্ৰিয়াৰে জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত এই শিক্ষকসকলক বাঁচনি কৰা হৈছে। ইয়াৰ উপৰি উচ্চ শিক্ষা বিভাগৰ ১৬ গৰাকী আৰু দক্ষতা বিকাশ তথা উদ্যমশীলতা মন্ত্ৰালয়ৰ অধীনৰ ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সন্মানিত কৰা হ'ব। ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাত প্ৰমাণ-পত্ৰ, নগদ ৫০ হাজাৰ টকা আৰু এটা ৰূপৰ পদক আছে।

00000

শিক্ষক দিৱস উপলক্ষে আজি অকল শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে অমৃত উদ্যান আছুতীয়াকৈ খোলাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰপতি সচিবালয়ে এক বিবৃতিত প্ৰকাশ কৰিছে যে, ৰাষ্ট্ৰপতি ভৱনৰ ৩৫ নম্বৰ গেটৰ জৰিয়তে শিক্ষকসকলে প্ৰৱেশ কৰিব পাৰিব। তেওঁলোকৰ সুবিধাৰ্থে কেন্দ্ৰীয় সচিবালয় মেট্ৰ' ষ্টেচনৰ পৰা ৩৫ নম্বৰ গেটলৈ বিনামূলীয়া বাছ সেৱাও উপলব্ধ হ'ব। উল্লেখযোগ্য যে, অমৃত উদ্যান গ্ৰীষ্মকালীন বাৰ্ষিক সংস্কৰণ ২০২৪ উপলক্ষে যোৱা মাহৰ ১৬ তাৰিখৰ পৰা চলিত মাহৰ ১৫ তাৰিখলৈকে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ সোমবাৰৰ বাহিৰে আন সকলো দিনতে অমৃত উদ্যান জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হৈছে। জনসাধাৰণে ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটত অনলাইনযোগে প্ৰৱেশৰ বাবে বুকিং কৰিব পাৰে। ৩৫ নম্বৰ গেটৰ বাহিৰত স্থাপন কৰা স্ব-সেৱা ব্যৱস্থাৰ জৰিয়তেও নাগৰিকসকলে পঞ্জীয়ন কৰিব পাৰে। এইবৰ্ষৰ গ্ৰীষ্মকালীন সংস্কৰণত বৰ্তমানলৈ ডেৰ লাখৰো অধিক লোকে অমৃত উদ্যান ভ্ৰমণ কৰিছে।

00000

কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ, নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা-এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ্-এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত কালি নতুন দিল্লীত এখন চুক্তি স্বাক্ষৰিত হয়। চুক্তি সম্পাদনৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা আৰু গৃহ মন্ত্ৰালয় তথা ত্ৰিপুৰা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, এন এল এফটি আৰু এ টি টি এফে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ উভতি অহাটো আনন্দৰ কথা। তেওঁ লগতে ত্ৰিপুৰাৰ বিকাশৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। তেওঁ কয় যে, নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হোৱাৰে পৰা তেওঁ শান্তি আৰু আলোচনাৰ মাধ্যমেৰে দেশৰ সন্মুখত সামৰ্থবান আৰু উন্নত উত্তৰ-পূৰ্বাঞ্চলৰ দৃষ্টিভংগী উপস্থাপন কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অকল পথ, ৰেল আৰু বিমান যোগাযোগৰ মাধ্যমেৰে উত্তৰ পূৰ্বাঞ্চল আৰু দিল্লীৰ জনসাধাৰণৰ মাজত পূৰ্বতে থকা ব্যৱধান দূৰ কৰাই নহয় বৰং জনসাধাৰণৰ হৃদয়ৰ মাজৰ ব্যৱধানো দূৰ কৰিবলৈ সমৰ্থ হৈছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশ্বাহে কয় যে, কেন্দ্ৰীয় চৰকাৰ অস্তলক্ষ্মী আৰু পূৰ্বোদয়ৰ অৱধাৰণাৰ সংমিশ্ৰণেৰে ত্ৰিপুৰাসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ সংকল্প গ্ৰহণ কৰিছে আৰু কালি স্বাক্ষৰিত চুক্তি এই ক্ষেত্ৰত মাইলৰ খুঁটি ৰূপে পৰিগণিত হ'ব। চুক্তিৰ অধীনত ৩২৮ জনৰো অধিক সশস্ত্ৰ উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰি সমাজৰ মূল সুঁতিলৈ উভতি আহিব আৰু অকল ত্ৰিপুৰাৰেই নহয় সমগ্ৰ দেশৰ উন্নয়নত অৰিহনা যোগাব বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে ত্ৰিপুৰাত জনজাতীয় লোকসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে ২৫০ কোটি টকাৰ

এটা বিশেষ পেকেজত অনুমোদন জনাইছে। তেওঁ লগতে কয় যে, নৰেন্দ্ৰ মোদী চৰকাৰে ২০১৫ চনত ত্ৰিপুৰাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহ্বাৰ কৰিছে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ভালেমান অংশৰ পৰাও আইনখন উঠাই লোৱা হৈছে। শ্ৰীশ্বাহে কয় যে, সৈন্য বাহিনী নিয়োজিত কৰাৰ পৰিৱৰ্তে বিশেষকৈ জনজাতীয় গোটসমূহৰ সংস্কৃতি-ভাষা আৰু পৰিচয়ৰ সংৰক্ষণেৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ প্ৰতি চৰকাৰ বদ্ধ পৰিকৰ।

নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি আৰু সমৃদ্ধি অনাৰ উদ্দেশ্যে বৰ্তমানলৈকে ১২ খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিপুৰা সম্পৰ্কীয় ৩ খন চুক্তিও আছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত বিভিন্ন চুক্তিৰ বাবে প্ৰায় ১০ হাজাৰ উগ্ৰপন্থীয়ে অস্ত্ৰ ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি আহিছে।

ooooo

বিজেপিয়ে হাৰিয়ানাৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৬৭ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি মুখ্যমন্ত্ৰী নায়ব সিং চেইনীয়ে লাডৱা, বিধানসভাৰ অধ্যক্ষ জ্ঞানচন্দ গুপ্তাই পঞ্চকুলা আৰু প্ৰাক্তন মন্ত্ৰী অনিল ৱিজে আম্বালা কেন্ট আসনৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অসীম গোয়েলে আম্বালা চিটী, কঁৱৰ পাল গুৰ্জৰে জগাধৰি আৰু ঘনশ্যাম দাস আৰোৰাই যমুনা নগৰ আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। বিজেপিয়ে প্ৰকাশ কৰা প্ৰথমখন তালিকাত ৮ গৰাকী মহিলা প্ৰাৰ্থীৰ নাম আছে।

ooooo

কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে কৈছে যে, ২০৩০ চনৰ ভিতৰত ভাৰতৰ বস্ত্ৰ উদ্যোগ ৩৫০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। কালি নতুন দিল্লীত ভাৰত টেক্স ২০২৫ৰ উন্মোচন অনুষ্ঠান সম্বোধন কৰি তেঁও কয় যে, ইয়াৰ ফলত দেশত ৩ কোটি ৫ লাখ নতুন চাকৰি সংযোজন হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰত ব্ৰেণ্ড আৰু সেউজ বহনক্ষম বস্ত্ৰ সামগ্ৰীৰ দ্বাৰা ভাৰতে গোলকীয় পৰ্যায়ত স্বীকৃতি লাভৰ আশা প্ৰকাশ কৰে। তেওঁ দৃঢ়তাৰে কয় যে, কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰশিল্পৰ পিএলআই আঁচনিখনে বস্ত্ৰ উদ্যোগক উৎপাদন বৃদ্ধি আৰু ব্ৰেণ্ডিঙৰ প্ৰসাৰত সহায় কৰিব। শ্ৰীসিঙে কয় যে, অহা বছৰৰ ১৪ৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ ভাৰত মণ্ডপমত আৰু গ্ৰেটাৰ নয়ডাৰ ইণ্ডিয়া এক্সপ' চেণ্টাৰ এণ্ড মাৰ্টত গোলকীয় বস্ত্ৰ প্ৰদৰ্শনী-ভাৰত টেক্স ২০২৫ অনুষ্ঠিত কৰা হ'ব। চৰকাৰ আৰু উদ্যোগসমূহৰ সহযোগিতাত আয়োজিত এই প্ৰদৰ্শনীত ৫ হাজাৰতকৈ অধিক প্ৰদৰ্শক আৰু ৬ হাজাৰতকৈ অধিক আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাই অংশগ্ৰহণ কৰিব। তেওঁ লগতে কয় যে, এই প্ৰদৰ্শনীত ফাৰ্ম টু ফাইবাৰ, ফাইবাৰ টু ফেক্টৰী, ফেক্টৰী টু ফেশ্বন, আৰু ফেশ্বন টু ফৰেইন দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

হৰবিন্দৰ সিঙে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ আৰ্চাৰীৰ  ৰিকাৰ্ভ শিতানৰ ব্যক্তিগত শাখাত সোণৰ পদক জয় কৰি ইতিহাস ৰচনা কৰিছে। হৰবিন্দৰে কালি সোণৰ পদক হস্তগত কৰি পেৰালিম্পিক অথবা অলিম্পিকৰ ইতিহাসত এই কৃতিত্ব অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। একেদৰে ধৰমবীৰে পুৰুষৰ ক্লাব থ্ৰ'ৰ এফ 51 শিতানৰ ফাইনেলত ৩৪ দশমিক ৯-২ মিটাৰলৈ দলিয়াই এছীয়ান অভিলেখ ভংগ কৰাৰ লগতে স্বৰ্ণ পদক হস্তগত কৰে। এই একেটা শিতানত প্ৰণৱ সুৰমাই ৩৪ দশমিক ৫-৯ মিটাৰলৈ দলিয়াই ৰূপৰ পদক অৰ্জন

কৰে। ইয়াৰ পূৰ্বে বিশ্ব চেম্পিয়ন শচীন সৰ্জেৰাও খিলাৰীয়ে পুৰুষৰ শ্বটপুটৰ এফ 46 শিতানত ৰূপৰ পদক লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ একেটা সংস্কৰণত সৰ্বাধিক পদক জয় কৰাৰ বাবে পেৰিছ পেৰালিম্পিকত পদক জয়ী  দেশৰ সকলো খেলুৱৈক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, এই সাফল্যই ভাৰতীয় খেলুৱৈসকলৰ একাগ্ৰতা, নিষ্ঠা আৰু দৃঢ়তা প্ৰতিফলিত কৰিছে।

প্ৰতিযোগিতাত আজি অষ্টম দিনা ভাৰতীয় দলে পেৰা আৰ্চাৰীত ভাল প্ৰদৰ্শনেৰে অভিযান সামৰাৰ চেষ্টা কৰিব। সোণৰ পদক জয়ী হৰবিন্দৰ সিঙে আজি দ্বিতীয়টো পদক জয়ৰ লক্ষ্যৰে ৰিকাৰ্ভ অপেন শিতানৰ মিক্সড দলীয় শাখাত অৱতীৰ্ণ হ'ব। একেদৰে কপিল পৰমাৰ আৰু ককিলাই ব্লাইণ্ড জুডো শিতানত দেশক প্ৰতিনিধিত্ব কৰিব।

ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত ৫টা সোণ, ৯টা ৰূপ আৰু ১০টা ব্ৰঞ্জ সহ ২৪টা পদক লাভ কৰি পদক তালিকাৰ ত্ৰয়োদশ স্থানত আছে।

ooooo

**সমাপ্ত**